**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া অসম ভ্ৰমণসূচীৰে আজি যোৰহাট বিমান বন্দৰত উপস্থিত হ'ব।

৩। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে উপগ্ৰহ উৎক্ষেপনৰ জৰিয়তে প্ৰায় ১৪৩ মিলিয়ন আমেৰিকান ডলাৰ বৈদেশিক মুদ্ৰা আহৰণ কৰিছে।

৪। ভাৰতৰ খনি খণ্ডক উন্নীত কৰাৰ বাবে খনি মন্ত্ৰালয়ে গোৱা চৰকাৰৰ সহযোগত প্ৰথম বাৰৰ বাবে খনিৰ অন্বেষণৰ অনুজ্ঞাপত্ৰ নিলাম কৰিছে।

*আৰু*

৫। অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো আজি চীনৰ লিউ ছেংছ' আৰু টেন নিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হয়। বসন্ত ঋতুৰ আগমণৰ সময়ত পালন কৰা এই উৎসৱে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ক সূচায় আৰু সমাজত একতা আৰু সমন্বয়ৰ বান্ধোন সুদৃঢ় কৰে। হোলিকা দহনেৰে আৰম্ভ হোৱা এই উৎসৱ সত্যৰ জয় আৰু ন্যায়ৰ প্ৰতীক স্বৰূপ। হোলী উৎসৱে জাতি, ধৰ্ম, লিংগ নিৰ্বিশেষে জনসাধাৰণক একত্ৰিত কৰি সমতা আৰু মৈত্ৰীৰ ভাৱ প্ৰকাশ কৰে।

অসমতো কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন কৰা হয়। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ-মালহৰ পৰিৱেশ বিৰাজ কৰে। বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি গোসাঁইৰ মূৰত ফাকু দিয়াৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা অহা ভক্ত-বৈষ্ণৱৰ নাম-কীৰ্তন আদি কাৰ্যসূচীৰ পাছত কাইলৈ গোসাঁইক ৰভাতলৰ পৰা উলিয়াই দৌললৈ

যাত্ৰা কৰা হ’ব। দৌল যাত্ৰা উৎসৱৰ সৈতে সংগতি ৰাখি আজিৰ পৰা আকাশীগংগাৰ তীৰৰ আই খেৰসুঁতি প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। যোৱা নিশা মেষদাহ পৰ্বৰে আৰম্ভ হোৱা এই উৎসৱৰ অহা ১৭ মাৰ্চত সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে বিভিন্ন জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হোলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাত কয়, যে ৰঙৰ উৎসৱ ফাকুৱাই আনন্দ আৰু উৎসাহৰ বতৰা কঢ়িয়াই আনে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত ফাকুৱা অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় আৰু বসন্ত ঋতুৰ আগমণক সূচায় বুলি কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয়, যে আনন্দ-উৎসাহৰ এই উৎসৱে সকলোৰে জীৱনলৈ উৎসাহ আৰু উদ্যমৰ নতুন বতৰা কঢ়িয়াই আনিব আৰু দেশৱাসীৰ মাজত ঐক্যৰ ৰং গভীৰ কৰি তুলিব।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে আবিৰৰ ৰঙে সকলোৰে মনপ্ৰাণ ৰঙীন কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া অসম ভ্ৰমণসূচীৰে আজি যোৰহাট বিমান বন্দৰত উপস্থিত হ’ব। গৃহমন্ত্ৰীগৰাকী যোৰাহাটৰ পৰা পোনে পোনে গোলাঘাটলৈ যাব আৰু নিশাটো ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীত কটাব। শ্ৰীশ্বাহে কাইলৈ পুৱা একাডেমীখনৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখছাওলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল’ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখ’ছাওলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ’ব। শ্ৰীশ্বাহে পৰহিলৈ কোকৰাঝাৰৰ দোতমাত হ’বলগীয়া নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব আৰু গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে অঞ্চলটোত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হ’ব। ইয়াৰ পাছত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে উপগ্ৰহ উৎক্ষেপনৰ জৰিয়তে প্ৰায় ১৪৩ মিলিয়ন আমেৰিকান ডলাৰ বৈদেশিক মুদ্ৰা আহৰণ কৰিছে। বিগত দশকটোত ইছৰোৱে ৩৯৩টা বিদেশী উপগ্ৰহৰ লগতে তিনিটা ভাৰতীয় উপগ্ৰহ ব্যৱসায়িক ভিত্তিত উৎক্ষেপন কৰা বুলি মহাকাশ সংস্থাটোৰ সূত্ৰই প্ৰকাশ কৰিছে। ২০১৫ চনৰ জানুৱাৰীৰ পৰা ২০২৪ চনৰ ডিচেম্বৰৰ সময়ছোৱাত এই উপগ্ৰহসমূহ উৎক্ষেপন কৰা হয়। ইছৰোৱে আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, ছিংগাপুৰ আৰু কেইবাখনো উন্নত ৰাষ্ট্ৰকে ধৰি মুঠ ৩৪খন বিদেশী ৰাষ্ট্ৰই উপগ্ৰহ উৎক্ষেপন কৰিছে।

০০০০০০০

ভাৰতৰ খনি খণ্ডক উন্নীত কৰাৰ বাবে খনি মন্ত্ৰালয়ে গোৱা চৰকাৰৰ সহযোগত প্ৰথম বাৰৰ বাবে খনিৰ অন্বেষণৰ অনুজ্ঞাপত্ৰ নিলাম কৰিছে। কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডী আৰু গোৱাৰ মুখ্যমন্ত্ৰী ডô প্ৰমোদ ছাৱন্তে গোৱাৰ এটা অনুষ্ঠানত এই অনুজ্ঞাপত্ৰৰ নিলাম মুকলি কৰে।

জিংক, কপাৰ, হীৰা আদিৰ দৰে জটিল খনিজ পদাৰ্থক সামৰি মুঠ ১৩টা ব্লকত অন্বেষণৰ এই নিলামত অনুজ্ঞাপত্ৰ দিয়া হ'ব। এই নিলামৰ জৰিয়তে স্বচ্ছ আৰু অনলাইন নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে পদ্ধতিগত অন্বেষণ দ্ৰুত কৰি তোলাৰ লগতে খনিজ আমদানিৰ ওপৰত ভাৰতৰ নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। এই অনুষ্ঠানত **এ আই** হেকাথন ২০২৫ উদ্বোধন কৰা হয়। ব্যক্তিগত খণ্ডক উৎসাহিত কৰাৰ উদ্দেশ্যে তিনিটা ব্যক্তিগত সংস্থাক এই অনুষ্ঠানত প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যিক প্ৰতিনিধি জেমিছন গ্ৰীৰ সৈতে পাৰস্পৰিক লাভজনক দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ ভৱিষ্যৎ সম্ভাৱনা সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীগোৱেলে কয় যে চৰকাৰে ভাৰত প্ৰথম, বিকশিত ভাৰত আৰু সামগ্ৰিক কৌশলগত অংশীদাৰিত্বৰ ক্ষেত্ৰত দিক্-নিৰ্দেশনা দিব।

বিগত সপ্তাহত মন্ত্ৰী গোৱেলে ৱাশ্বিংটন ভ্ৰমণ কৰি তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিপক্ষৰ সৈতে বাণিজ্য সন্দৰ্ভত এখন আলোচনাত ভাগ লৈছিল। ভাৰত আৰু আমেৰিকাই দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ বুজাবুজিৰ পৰিকল্পনা কৰাৰ বাবে এই আলোচনাই তাৎপৰ্য বহন কৰিছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সূত্ৰই অহা দুদিনত ছত্তীশগড়, ঝাৰখণ্ড, বিদৰ্ভ, পশ্চিম বংগ, তেলেংগানা আৰু অন্ধ্ৰ প্ৰদেশৰ ঠাইবিশেষে গ্ৰীষ্ম প্ৰবাহৰ আগজাননী প্ৰকাশ কৰিছে। ওড়িশাতো অহা তিনি দিনৰ ভিতৰত গ্ৰীষ্মপ্ৰবাহৰ সম্ভাৱনা আছে। বিভাগৰ সূত্ৰত এইকেইদিনত পূব ভাৰতত ২ৰ পৰা ৩ ডিগ্ৰী ছেলছিয়াচলৈ উত্তাপ বৃদ্ধি হোৱাৰ সম্ভাৱনা প্ৰকাশ পাইছে।

বতৰ বিজ্ঞান বিভাগৰ সূত্ৰই আৰু জনোৱা মতে জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান, মুজাফৰবাদ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডত অহা দুদিনত প্ৰচুৰ বৰষুণ আৰু তুষাৰপাতৰ সম্ভাৱনা ব্যক্ত কৰিছে। এই সময়ছোৱাত হাৰিয়ানা, উত্তৰ প্ৰদেশৰ পশ্চিমাঞ্চল, ৰাজস্থান, পঞ্জাৱ আৰু উত্তৰ প্ৰদেশৰ পূব অংশত পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণৰ পূৰ্বানুমান প্ৰকাশ কৰিছে।

০০০০০০০

২০২৪ চনৰ তুলনাত বৰ্তমান সাগৰৰ জলপৃষ্ঠ অধিক দ্ৰুতগতিত বৃদ্ধি পাইছে বুলি নাছাৰ সূত্ৰই প্ৰকাশ কৰিছে। সাগৰপৃষ্ঠৰ পানী উত্তপ্ত হোৱাৰ ফলস্বৰূপে হিমবাহসমূহৰ পানী গলিবলৈ ধৰিছে। আমেৰিকা মহাকাশ সংস্থাটোৱে প্ৰকাশ কৰা অনুসৰি ইয়াৰ ফলত সাগৰৰ জলপৃষ্ঠ বছৰি ০ দশমিক ৫-৯ চেণ্টিমিটাৰকৈ বৃদ্ধি পাইছে।

নাছাৰ সমুদ্ৰপৃষ্ঠৰ গৱেষক জ'ছ উইলিহে কয় যে ২০২৪ চনত তাপমাত্ৰাৰ অভিলেখ পৰিৱৰ্তনে সাগৰৰ জলুপৃষ্ঠত দুই-তৃতীয়াংশ বৃদ্ধিত অৰিহণা যোগাইছে।

০০০০০০০

বাৰ্মিংহামত অনুষ্ঠিত অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ লক্ষ্য সেন, চীনৰ লী শ্বি ফেঙৰ হাতত ১০-২১, ১৬-২১ ছেটত পৰাস্ত হয়। ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত আজি সন্ধিয়া চীনৰ লিউ ছেংছ' আৰু টেন নিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু, ছাত্বিক চাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টী প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০

সমাপ্ত